**4 SEM TDC GEPS (CBCS) 4 (A/B)**

**2 0 2 4**

( May/June )

POLITICAL SCIENCE

( Generic Elective )

Paper : GE–4

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : GE–4A

**( Politics of Globalization )**

**1.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া : 1×8=8

Answer the following questions :

*(a)* বিশ্বায়ন বুলিলে কি বুজা ?

What do you mean by globalization?

(b) বিশ্ব বাণিজ্য সংস্থাৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

Where is the headquarters of the World Trade Organization located?

(c) বিশ্ব বেংকৰ এটা গুৰুত্বপূৰ্ণ কামৰ কথা উল্লেখ কৰা।

Mention one important function of the World Bank.

(d) বৈশ্বিক নাগৰিক সমাজ বুলিলে কি বুজোৱা হৈছে?

What is meant by global civil society?

(e) বিশ্বায়নৰ ওপৰত নব্য উদাৰবাদী দৃষ্টিভংগী কি?

What is the neo-liberal perspective on globalization?

(f) এফ. ডি. আই. বুলিলে কি বুজা?

What do you mean by FDI?

(g) অৰ্থনৈতিক বিশ্বায়নৰ সংজ্ঞা কেনেকৈ দিবা?

How do you define economic globalization?

(h) বিশ্বায়নৰ অনিবাৰ্যতাৰ প্ৰতি উন্নয়নশীল দেশসমূহে কেনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে তাৰ এটা উদাহৰণ উল্লেখ কৰা।

Mention one example of how the developing countries respond to the inevitability of globalization.





2. তলত দিয়াবোৰৰ ওপৰত চমু টোকা লিখা (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×4=16

Write short notes on the following (**within 150 words** each) :

(a) বিশ্বায়নৰ এজেন্ট হিচাপে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আই. এম. এফ.)

The International Monetary Fund (IMF) as an agent of globalization

(b) বিশ্বায়নৰ চৰমপন্থী দৃষ্টিভংগীৰ মূল বিষয়বোৰ

Major understanding of the radical approach to globalization

(c) একবিংশ শতিকাত ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু বিশ্বায়নৰ শক্তি

State sovereignty and forces of globalization in the 21st century

(d) বিশ্বায়নৰ অনিবাৰ্যতাৰ বাবে থকা বিশ্বব্যাপী সঁহাৰি

Global responses for the inevitability of globalization

3. বিশ্বায়নৰ উদাৰবাদী দৃষ্টিভংগীৰ এক সমালোচনাত্মক আলোচনা যুগুত কৰা। 12

Make an attempt to critically discuss the liberal approach to the understanding of globalization.

অথবা/Or

আয়ৰ বৈষম্য, সাংস্কৃতিক সমতা, আৰু পৰিৱেশৰ অৱক্ষয় সৃষ্টিত বিশ্বায়নৰ ভূমিকা বিবেচনা কৰি ইয়াৰ বিৰুদ্ধে কৰা সমালোচনাৰ মূল্যায়ন কৰা।

Evaluate the criticisms levelled against globalization, considering its role in creating income inequality, cultural homogenization and environmental degradation.

4. বিশ্ব বেংকৰ ঋণ আৰু বিনিয়োগৰ পদ্ধতিত বহন ক্ষমতা আৰু পৰিৱেশ সুৰক্ষাৰ দৃষ্টিভংগীৰ মূল্যায়ন কৰা। 11

Evaluate the World Bank's approach to sustainability and environmental protection in its lending and investment practices.

অথবা/Or

বিশ্ব বিত্তীয় ব্যৱস্থাত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আই. এম. এফ.) ৰ প্ৰাথমিক লক্ষ্য আৰু কাৰ্যসমূহ ব্যাখ্যা কৰা। 4+7=11

Explain the primary objectives and functions of the International Monetary Fund (IMF) in the global financial system.

5. "উত্তৰ-ঔপনিৱেশিক দৃষ্টিভংগীয়ে বিশ্বায়নৰ গতিশীলতাক গঢ় দিয়াৰ ক্ষেত্ৰত ঔপনিৱেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ ঐতিহাসিক পৰম্পৰাক উজ্জ্বল কৰি তুলিছে।" বিশ্বায়নৰ বিকল্প দৃষ্টিভংগী হিচাপে উত্তৰ-ঔপনিৱেশিক দৃষ্টিভংগীসমূহৰ বিষয়ে আলোচনা কৰা। 11





"The post-colonial perspectives highlight the historical legacies of colonialism and imperalism in shaping the dynamics of globalization." Discuss the post-colonial perspectives as an alternative perspective on globalization.

অথবা / Or

বিশ্বায়নৰ একত্ৰীকৰণ আৰু বৈচিত্ৰ্যপূৰ্ণ প্ৰৱণতা দুয়োটাকে বিবেচনা কৰি ইয়াৰ সাংস্কৃতিক প্ৰভাৱ বিশ্লেষণ কৰা।

Analyse the cutural impacts of globalization, considering both homogenizing and diversifying tendencies.

6. বিশ্বায়নে নাগৰিক সমাজৰ সংগঠনৰ উত্থান আৰু কাৰ্যকলাপৰ ওপৰত কেনে প্ৰভাৱ পেলায়? বিশ্লেষণ কৰা। 11

How does globalization influence the emergence and activities of civil society organizations? Analyse.

অথবা / Or

উন্নয়নশীল দেশসমূহৰ ৰাজনৈতিক পৰিৱেশত বিশ্বায়নৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা। বিশ্বায়নে এই জাতিসমূহৰ ভিতৰত শাসনৰ গাঁথনি, নীতিগত অগ্ৰাধিকাৰ আৰু ৰাজনৈতিক গতিশীলতাক কেনেদৰে প্ৰভাৱিত কৰিছে? 6+5=11

Discuss the impact of globalization on the political landscape of developing countries. How has globalization influenced the governance structures, policy priorities and political dynamics within these nations?

7. বিশ্বায়নে জাতি-ৰাষ্ট্ৰসমূহৰ অৰ্থনীতি নিয়ন্ত্ৰণ আৰু নিয়ন্ত্ৰণৰ ক্ষমতাক ক্ষতিগ্ৰস্ত কৰে বুলি কৰা যুক্তিৰ সমালোচনাত্মক মূল্যায়ন কৰা। 11

Critically assess the argument that globalization undermines the ability of Nation-States to regulate and control their economies.

অথবা / *Or*

বিশ্বায়ন আৰু মানৱ প্ৰব্ৰজনৰ মাজৰ সংযোগস্থল চিনাক্ত কৰাৰ প্ৰয়াস কৰা।

Make an attempt to identify the interface between globalization and human migration.





Paper : GE-4B

**( United Nations in Global Conflicts )**

1. তলত দিয়াসমূহৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া : 1×8=8

Answer the following as directed :

(a) ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?
(পেৰিছ/ নিউইয়ৰ্ক/হেগ/নৰৱে)
( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

Where is the headquarters of the United Nations located?
(Paris/New York/The Hague/Norway)
( Choose the correct answer )

(b) ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ যি কোনো এটা কাৰ্য উল্লেখ কৰা।

Mention any one function of the UN General Assembly.

(c) UNESCOৰ সম্পূৰ্ণ ৰূপটো লিখা।

Write the full form of UNESCO.

(d) ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী উচ্চায়ুক্ত কাৰ্যালয়ৰ যি কোনো এটা উদ্দেশ্য উল্লেখ কৰা।

Write any one objective of the United Nations High Commissioner for Refugees (UNHCR).

(e) ৰাষ্ট্ৰসংঘৰ অধীনৰ যি কোনো এটা শান্তি প্ৰতিষ্ঠাকাৰী অভিযানৰ বিষয়ে উল্লেখ কৰা।

Mention any one peace-making operation of the UN.

(f) 'সহস্ৰাব্দ বিকাশৰ লক্ষ্যসমূহ'ত মুঠ কেইটা লক্ষ্য সন্নিৱিষ্ট কৰা হৈছে? (৮টা/৯টা/১০টা)

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

How many goals are included in the 'Millenium Development Goals'? (8/9/10)

( Choose the correct answer )

(g) ভিয়েটনাম যুদ্ধৰ যি কোনো এটা কাৰণ উল্লেখ কৰা।

Mention any one cause of the Vietnam War.

(h) আফগানিস্তান যুদ্ধ কোন চনত আৰম্ভ হৈছিল?

In which year did the Afghanistan War start?

2. চমু টোকা লিখা : 4×4=16

Write short notes on :

(a) আটলাণ্টিক চনদ

The Atlantic Charter

(b) আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা

The International Labour Organization





(c) ৰাষ্ট্ৰসংঘৰ শান্তি প্ৰতিষ্ঠাকাৰী অভিযানৰ গুৰুত্ব

Significance of the peace-making operations of the UN

(d) চাৰ্বিয়া আৰু বছনিয়া সংঘাত

Conflict between Serbia and Bosnia

3. ৰাষ্ট্ৰসংঘৰ মুখ্য উদ্দেশ্য আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰা। 6+6=12

Discuss the basic objectives and functions of the UN.

অথবা / Or

নিৰাপত্তা পৰিষদৰ গঠন আৰু কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰা। 6+6=12

Discuss the composition and functions of the Security Council.

4. বিশ্ব স্বাস্থ্য সংস্থাৰ উদ্দেশ্য আৰু ভূমিকাৰ বিষয়ে আলোচনা কৰা। 5+6=11

Discuss the objectives and role of the WHO.

অথবা / Or

ৰাষ্ট্ৰসংঘৰ বিকাশ আঁচনি (UNDP)ৰ ভূমিকা আৰু গুৰুত্ব সম্পৰ্কে এক মূল্যায়ন আগবঢ়োৱা। 11

Make an evaluation about the role and significance of the United Nations Development Programme (UNDP).

5. শান্তি ৰক্ষা আৰু প্ৰতিষ্ঠাকাৰী অভিযানসমূহৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই সন্মুখীন হ'বলগীয়া প্ৰত্যাহ্বানসমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰা। 11

Discuss, in detail, about the challenges faced by the UN peace-keeping and peace-making operations.

অথবা / Or

'সহস্ৰাব্দ বিকাশৰ লক্ষ্যসমূহ' বুলিলে কি বুজা? এই লক্ষ্যসমূহে আৰ্থ-সামাজিক বিকাশ নিশ্চিত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰা।

What are 'Millenium Development Goals'? Discuss about the role of these goals in securing socio-economic development.

6. কোৰিয়া যুদ্ধৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা সম্পৰ্কে সমালোচনাত্মক টোকা লিখা। 11

Write a critical note on the UN role in relation with the Korean War.

অথবা / Or

আফগানিস্তান যুদ্ধৰ পটভূমি আৰু কাৰণসমূহ আলোচনা কৰা। 5+6=11

Discuss the background and causes of the Afghanistan War.



7. "ৰাষ্ট্ৰসংঘৰ সংস্কাৰৰ অৰ্থ হৈছে নিৰাপত্তা পৰিষদৰ পুনৰ গঠন কৰা।"—এই মন্তব্যৰ আঁত ধৰি ৰাষ্ট্ৰসংঘৰ সংস্কাৰৰ বিষয়টো আলোচনা কৰা। 11

"Reforming the UN means restructuring the Security Council." Discuss the issue of the reform of the UN in the light of this statement.

অথবা / Or

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰতবৰ্ষৰ অন্তৰ্ভুক্তিৰ যুক্তিযুক্ততা সম্পৰ্কে আলোচনা কৰা।

Discuss about the rationality of inclusion of India in the UN Security Council.

★★★